**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-05-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। বিজেপিৰ সংসদীয় কমিটিয়ে অসমৰ বিজেপি বিধায়িনী দলৰ নেতা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নাড্ডাক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে।

২। মিজোৰামক মুগা ৰেচম উৎপাদনৰ ক্ষেত্ৰত দেশৰ ভিতৰতে আগশাৰীৰ ৰাজ্য হিচাপে গঢ়ি তোলা হ’ব বুলি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে প্ৰকাশ কৰিছে।

৩। ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট’ লাম ভাৰতলৈ প্ৰথম আনুষ্ঠানিক ভ্ৰমণৰ বাবে আজি নতুন দিল্লীত উপস্থিত হৈছে।

৪। নতুন দিল্লীত আজি ভাৰত আৰু জাপানৰ মাজত স্বাস্থ্য সেৱা সম্পৰ্কীয় তৃতীয় খন যুটীয়া সমিতিৰ বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহী কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ’ব। –

ooooo

বিজেপিৰ সংসদীয় কমিটিয়ে অসমৰ বিজেপি বিধায়িনী দলৰ নেতা নিৰ্বাচনৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা ৰসায়ন আৰু সাৰ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং সৈনীক কেন্দ্ৰীয় সহ-পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। দলে লগতে জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহক পশ্চিমবংগৰ বিধায়িনী গোটৰ নেতা বাচনিৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। ওডিশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিক ৰাজ্যখনত দলৰ কেন্দ্ৰীয় সহ-পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে।

ooooo

মিজোৰামক মুগা ৰেচম উৎপাদনৰ ক্ষেত্ৰত দেশৰ ভিতৰতে আগশাৰীৰ ৰাজ্য হিচাপে গঢ়ি তোলা হ’ব বুলি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে প্ৰকাশ কৰিছে। কালি দুদিনীয়া মিজোৰাম ভ্ৰমণৰ সময়ত মন্ত্ৰীগৰাকীয়ে মিজোৰামৰ ৰেচম শিল্প প্ৰশিক্ষণ প্ৰতিষ্ঠান পৰিদৰ্শন কৰি এই বিষয়ে প্ৰকাশ কৰে। মুগা উৎপাদক আৰু

শিপিনীসকলৰ সৈতে মত বিনিময় কৰি তেওঁ কয়, যে এই ক্ষেত্ৰত অধিক মনোনিৱেশ কৰাৰ বাবে তেওঁ ৰাজ্যখন ভ্ৰমণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে মিজোৰামত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে চাৰিওবিধ ৰেচম সূতা মুগা, এৰি, তছৰ আৰু নুনি সূতা উৎপাদন হয়। ৰাজ্যখনক মুগা শিল্পৰ ক্ষেত্ৰত শীৰ্ষ স্থানীয় হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত আছে বুলি তেওঁ কয়। ৰেচম সমগ্ৰ আঁচনি দ্বিতীয় পৰ্যায়ৰ অধীনত ৰাজ্যখনলৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে বুলি  তেওঁ জানিবলৈ দিয়ে। চৰকাৰী সূত্ৰ অনুসৰি এই অভিযানৰ অধীনত  ২০২১-২২ বৰ্ষৰ পৰা চলিত বৰ্ষ পৰ্যন্ত মিজোৰামলৈ ৫৯ কোটি ৭৪ লাখ টকা আৱণ্টন দিয়া হৈছে। মিজোৰামৰ জলবায়ু ৰেচম উৎপাদনৰ বাবে অনুকূল বুলি উল্লেখ কৰি ৰাজ্যখনত ৰেচম খণ্ডৰ বিকাশ ৫ দশমিক ৫ শতাংশৰ পৰা ছয় শতাংশলৈ বৃদ্ধি পোৱাক লৈ মন্ত্ৰীগৰাকীয়ে সন্তোষ প্ৰকাশ কৰে। তেওঁ কয়, যে ছহেজাৰৰো অধিক মুগা উৎপাদক আৰু ১১ খন জিলাৰ ১৯ হাজাৰৰো অধিক লোক ৰেচম শিল্পৰ সৈতে জড়িত হৈ জীৱিকা অৰ্জন কৰি আহিছে।

০০০০০

ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট' লাম ভাৰতলৈ প্ৰথম ৰাজ্যিক ভ্ৰমণৰ বাবে আজি নতুন দিল্লীত উপস্থিত হৈছে। গৃহ পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী নিত্যানন্দ ৰায়ে ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে এই ভ্ৰমণে ভাৰত আৰু ভিয়েটনামৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰিব। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে বিহাৰৰ বৌদ্ধ গয়া ভ্ৰমণ কৰি বাহবৌধি মন্দিৰত প্ৰাৰ্থনা কৰিছিল। ভিয়েটনামী মঠতো তেওঁ বিভিন্ন ধৰ্ম আৰু সাংস্কৃতিক কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। কাইলৈ ৰাষ্ট্ৰপতি ভৱনত ট' লামক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে আলোচনাত মিলিত হ'ব। সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে নতুন দিল্লীত আজি প্ৰসূতি আৰু শিশুৰ যত্ন সম্পৰ্কীয় আইন সন্দৰ্ভত এখন আলোচনা-চক্ৰৰ আয়োজন কৰে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰাহতকাৰে এই আলোচনাচক্ৰত সভাপতিত্ব কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত আয়োগে জনায় যে, এই আলোচনাই প্ৰসূতিৰ অধিকাৰক সমৰ্থন কৰিবলৈ তথা নিৰাপদ আৰু শিশুৰ যত্ন সুনিশ্চিত কৰিবলৈ আইনী আৰু নীতিগত পৰিকাঠামো শক্তিশালী কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াব। উল্লেখযোগ্য যে, এই আলোচনাৰ মূল লক্ষ্য হৈছে, বৰ্তমানৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাৰ লগতে মহিলা আৰু শিশুৰ কল্যাণ সুৰক্ষিত কৰা।

০০০০০

নতুন দিল্লীত আজি ভাৰত আৰু জাপানৰ মাজত স্বাস্থ্য সেৱা সম্পৰ্কীয় তৃতীয় খন যুটীয়া সমিতিৰ বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা আৰু জাপানৰ স্বাস্থ্য সেৱা মন্ত্ৰী কিমি অনোডাই যুটীয়াভাৱে এই বৈঠকত সভাপতিত্ব কৰে। বৈঠকত ভাষণ দি শ্ৰীনাড্ডাই কয়, যে এই বৈঠকে স্বাস্থ্য খণ্ডত সহযোগিতা আৰু নতুন অংশীদাৰিত্ব গঢ়ি তোলাৰ ক্ষেত্ৰত দেশ দুখনৰ মাজৰ দায়বদ্ধতা প্ৰতিফলিত কৰে। তেওঁ ভাৰত আৰু জাপানৰ মাজৰ দীৰ্ঘদিনীয়া আৰু বহুমুখী সম্পৰ্ক সন্দৰ্ভত আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে সবকা সাথ-সবকা বিকাশৰ পথ প্ৰদৰ্শক নীতিৰ অধীনত সৰ্বাংগীন উন্নয়নৰ প্ৰতি থকা ভাৰতৰ দায়বদ্ধতাৰ

বিষয়ে  পুনৰবাৰ দৃঢ়তা প্ৰদৰ্শন কৰে। এই যুটীয়া বৈঠকখনে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দেশ দুখনৰ মাজত থকা দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিব বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

ooooo

পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিবলৈ অস্বীকাৰ কৰিছে। শেহতীয়া নিৰ্বাচনত ভোটাৰক বলপূৰ্বকভাৱে লুণ্ঠন কৰা হৈছে আৰু সমগ্ৰ ভোটদান প্ৰক্ৰিয়াত ঠগ-প্ৰবঞ্চনা কৰা হৈছে বুলি অভিযোগ কৰি মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ নকৰে বুলি তেওঁ ঘোষণা কৰে। আজি কলকাতাত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ দৃঢ়তাৰে কয়, যে তেওঁৰ দল পৰাস্ত হোৱা নাই। নিৰ্বাচন আয়োগৰ পক্ষপাতিত্বৰ অভিযোগ উত্থাপন কৰি শ্ৰীমতী বেনাৰ্জীয়ে কয়, যে ভাৰতৰ গণতান্ত্ৰিক ইতিহাসত অন্ধকাৰ অধ্যায়ৰ সৃষ্টি হৈছে। আনহাতে, মমতা বেনাৰ্জীৰ বক্তব্যক বিজেপিয়ে তীব্ৰ ভাষাৰে সমালোচনা কৰিছে। বিজেপিয়ে কয়, যে মমতা বেনাৰ্জীয়ে পদত্যাগ কৰক বা নকৰক চলিত মাহৰ ৭ তাৰিখে বৰ্তমানৰ বিধানসভাৰ কাৰ্য্যকাল শেষ হ'ব যিহেতু, তাৰ পাছত কোনো সদনৰ সদস্য হৈ নাথাকিব। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ নেতা বিমল শংকৰ নন্দীয়ে কয়, যে মমতা বেনাৰ্জীয়ে অচলাৱস্থাৰ সৃষ্টি কৰি গণতন্ত্ৰক উপহাস কৰাত সফল নহ'ব। এনে অবাঞ্চিত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সংবিধানত নীতিৰ উল্লেখ আছে বুলি শ্ৰীনন্দীয়ে দৃঢ়তাৰে কয়।

ooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সভাপতিত্বত নতুন দিল্লীত টেলিকম অনুসন্ধানৰ মান নিৰ্ধাৰণ আৰু উদ্ভাৱন কমিটিৰ অংশীদাৰসকলৰ উপদেশ কমিটিৰ এখন বৈঠক অনুষ্ঠিত হয়। সামাজিক মাধ্যম এটা বাৰ্তাত শ্ৰী চিণ্ডিয়াই কয় যে এই বৈঠকত কেপটিভ নন-পাব্লিক নেটৱৰ্ক আৰু ইয়াৰ  মূল ব্যৱহাৰৰ ক্ষেত্ৰসমূহৰ ওপৰত  গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ উল্লেখ কৰে যে এই নেটৱৰ্কসমূহে দ্ৰুত আৰু অধিক নিৰ্ভৰযোগ্য সংযোগ স্থাপন কৰিবলৈ , উদ্ভাৱনক প্ৰসাৰিত কৰিবলৈ আৰু নাগৰিক আৰু উদ্যোগ উভয়ৰে বাবে ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰিবলৈ সক্ষম

মন্ত্ৰীগৰাকীয়ে লগতে কয় যে উদ্যোগটোৰ নেতৃত্বত সক্ৰিয় বুদ্ধিসম্পন্ন গাঁও প্ৰকল্পৰ লগতে দূৰসংযোগ বিভাগৰ সমৃদ্ধ গাঁও পদক্ষেপৰ সৈতে ইয়াৰ সম্ভাব্য সহযোগিতা সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে এই প্ৰচেষ্টাসমূহ সৰ্বাংগীন আৰু স্থানীয়ভাৱে পৰিচালিত গ্ৰাম্য ৰূপান্তৰক প্ৰসাৰিত কৰি আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীৰ সৈতে মিল থকা বুলি আলোকপাত কৰে।

ooooo

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সভাপতিত্বত আজি নতুন দিল্লীত তামিলনাডু, পুডুচেৰীআৰু গুজৰাটৰ সমগ্ৰ ঘাইপথ ৰক্ষণাবেক্ষণৰ পদক্ষেপ সন্দৰ্ভত এখন উচ্চ পৰ্য্যায়ৰ পৰ্য্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই পৰ্য্যালোচনা বৈঠকত ৰাষ্ট্ৰীয় ঘাইপথৰ মূল ক'ৰিডৰসমূহৰ মাজেৰে পথৰ স্থায়িত্ব, সুৰক্ষাৰ মানদণ্ড আৰু সামগ্ৰিক যাতায়াতৰ অভিজ্ঞতা বৃদ্ধি সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত পথ পৰিবহণ আৰু ঘাইপথৰ ৰাজ্যিক মন্ত্ৰী হৰ্ষ মালহোত্ৰাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ আন্তঃগাঁথনি উন্নয়নৰ কেৱল সম্প্ৰসাৰণেই নহয়, দীৰ্ঘম্যাদী বহনক্ষমতা, উন্নত প্ৰযুক্তি তথা শক্তিশালী নিৰীক্ষণ ব্যৱস্থাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।

ooooo

নীতি আয়োগে নতুন দিল্লীত বিকশিত ভাৰতৰ বাবে অৰ্থনৈতিক বিকাশ প্ৰতিষ্ঠানৰ দ্বাৰা স্থিতিস্থাপক ৰাজ্যিক বিত্তীয় সাহায্য গঢ়ি তোলাৰ ওপৰত আয়োজিত আলোচনাত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত আয়োগে কয়, যে চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ভি অনন্ত নাগেশ্বৰণে মূল ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদৰ সদস্য ড০ শ্যামিকা ৰবি, নিয়ন্ত্ৰক আৰু মহা-নিৰীক্ষকৰ উপদেষ্টা তথা কেগৰ প্ৰাক্তন উপ-পদাধিকাৰী জয়ন্ত সিনহাকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আলোচনাত প্ৰতিষ্ঠানিক শক্তিশালীকৰণ, তথ্যচালিত নীতিৰ পৰিকাঠামো গ্ৰহণ কৰা আৰু উদীয়মান বিত্তীয় প্ৰত্যাহ্বানসমূহৰ গতিপথ নিৰ্ধাৰণ কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত সমন্বয় বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত নীতি আয়োগে গুৰুত্ব আৰোপ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহী কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত